**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰত পৰ্যাপ্ত খাদ্য-সামগ্ৰী থকা দেশ আৰু দেশখনে গোলকীয় খাদ্য-সুৰক্ষা তথা পৰিপুষ্টি সুৰক্ষাৰ ক্ষেত্ৰত সমাধান সূত্ৰ আগবঢ়াবলৈ ভাৰত সমৰ্থ হৈছে।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনৰ উপস্থিতিত আজি জাগীৰোডত অসমৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্প বা অৰ্ধ পৰিবাহী সমাৱিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ ভূমি পূজন কৰা হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ৫ আগষ্টৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব।

*আৰু*

৪। পেৰিছ অলিম্পিকৰ অষ্টম দিনা আজি ভাৰতীয় এথলিটসকলে শ্যুটিং, আৰ্চাৰী, বক্সিং, নৌকা চালনা আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। শ্যুটিঙত মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হৈছিল যদিও পদক লাভত তেওঁ ব্যৰ্থ হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰত পৰ্যাপ্ত খাদ্য-সামগ্ৰী থকা দেশ আৰু দেশখনে গোলকীয় খাদ্য-সুৰক্ষা তথা পুষ্টিকৰণ সুৰক্ষাৰ ক্ষেত্ৰত সমাধান সূত্ৰ আগবঢ়াবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে, বহু সংস্কাৰ সাধনেৰে চৰকাৰে কৃষি খণ্ডক সবল কৰি তোলাৰ জৰিয়তে কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৩২ সংখ্যক আন্তৰ্জাতিক কৃষি অৰ্থনীতিবিদ সমাৰোহত ভাষণ দি আজি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। কৃষিক চৰকাৰৰ অৰ্থনৈতিক নীতিৰ কেন্দ্ৰবিন্দু বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰত মিলেট, গাখীৰ, দাইল আৰু মচলাৰ বিশ্বৰ সৰ্ববৃহৎ উৎপাদনকাৰী দেশ।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে ৰাসায়নিক দ্ৰব্য মুক্ত প্ৰাকৃতিক কৃষিত গুৰুত্ব দি আহিছে। শেহতীয়া কেন্দ্ৰীয় বাজেটত বহনক্ষম কৃষিত বিশেষ আলোকপাত কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে বিগত ১০ বছৰত পৰিৱেশ অনুকূল এহেজাৰ ৯০০ নতুন প্ৰকাৰৰ শস্যৰ খেতি কৰাত কৃষকক উৎসাহিত কৰি আহিছে। তেওঁ কয় যে, ভাৰতে কৃষি খণ্ডত ডিজিটীয় প্ৰযুক্তি ব্যৱহাৰ কৰিছে আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত দেশৰ ১০ কোটি কৃষকৰ বেংক একাউণ্টলৈ পুঁজি হস্তান্তৰ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ কৃষি গৱেষণা আৰু শিক্ষাৰ বলিষ্ঠ ব্যৱস্থাৰ কথা উনুকীয়াই দিয়ে। তেওঁ কয় যে, দেশত বৰ্তমান কৃষি শিক্ষণৰ বাবে ৫০০ ৰো অধিক কৃষি মহাবিদ্যালয় আৰু ৭০০ৰো অধিক কৃষি বিজ্ঞান কেন্দ্ৰ আছে। এই শিক্ষা প্ৰতিষ্ঠানসমূহৰ জৰিয়তে

কৃষকসকলে নতুন প্ৰযুক্তি সন্দৰ্ভত তথ্যৰ যোগান ধৰা হয় বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, বিগত ১০ বছৰত ৯০ লাখ হেক্টৰ কৃষি ভূমিক ক্ষুদ্ৰ জলসিঞ্চনৰ অধীনলৈ অনা হৈছে। কৃষি ভূমিৰ ডিজিটীয়কৰণ অভিযানত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ইয়াৰ জৰিয়তে কৃষকক তেওঁলোকৰ কৃষি ভূমিৰ বিপৰীতে একোটা ডিজিটীয় পৰিচয়চিহ্ন দিয়া হ'ব আৰু কৃষি কাৰ্যত ড্ৰোণ ব্যৱহাৰক উৎসাহিত কৰাৰ বাবে ড্ৰোণ দিদিসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। শ্ৰী মোদীয়ে দৃঢ়তাৰে কয় যে চৰকাৰৰ এই ব্যৱস্থাসমূহে কেৱল ভাৰতৰ কৃষকসকলকে লাভান্বিত নকৰে বৰং বিশ্বৰ খাদ্য সুৰক্ষাকো শক্তিশালী কৰি তুলিব।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি এই আন্তৰ্জাতিক সমাৰোহত  প্ৰায় ৭৫ খন দেশৰ এহেজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। এইবাৰৰ সমাৰোহৰ বিষয়বস্তু হৈছে **বহনক্ষম কৃষি খাদ্য ব্যৱস্থাৰ ৰূপান্তৰকৰণ**।

এই সমাৰোহত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ কৃষি বিকাশৰ হাৰ বিশ্বৰ ভিতৰতে সৰ্বাধিক হৈছে। শ্ৰী চৌহানে কৃষি কাৰ্যত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগৰ কুফলত আলোকপাত কৰি কয় যে, ৰাসায়নিক সাৰৰ প্ৰয়োগে মাটিৰ উৰ্বৰতা হ্ৰাস কৰি আনে। সেয়ে ভাৰতে বৰ্তমান প্ৰাকৃতিক কৃষিত গুৰুত্ব দিয়া বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনৰ উপস্থিতিত আজি জাগীৰোডত অসমৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্প বা অৰ্ধ পৰিবাহী সমাৱিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ ভূমি পূজন কৰা হয়। অসমক বিশ্বৰ অৰ্ধ পৰিবাহী উদ্যোগৰ মূল হোতাৰূপে প্ৰতিষ্ঠা কৰাত এই উদ্যোগে বিশেষ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। উদ্যোগটোৱে ৰাজ্যত অত্যাধুনিক প্ৰযুক্তিৰ বিকাশৰ লগতে নিয়োগৰ সুযোগ সৃষ্টি কৰি অৰ্থনৈতিক উন্নয়ন ক্ষীপ্ৰ কৰি তুলিব। মুঠ ২৭ হাজাৰ কোটি টকাৰ ব্যয় সাপেক্ষ এই প্ৰকল্পৰ নিৰ্ধাৰণৰ কাম  ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। প্ৰকল্পটো সম্পূৰ্ণ হ'লে ২৭ হাজাৰ কৰ্মসংস্থান সৃষ্টি হ'ব। দৈনিক ৪৮ মিলিয়ন চিপ উৎপাদনৰ সামৰ্থ্য থকা এই প্ৰকল্প ৰাজ্যত প্ৰযুক্তিগত প্ৰগতিৰ দিশত মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৫ আগষ্টৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব। এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্ট ভ্ৰমণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতি ঘোষণা কৰাৰ পাছৰে পৰা ভাৰতে দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হৈ  ৰাষ্ট্ৰপতি কেট'নিৱেৰে আৰু প্ৰধানমন্ত্ৰী ছিটিৰেণী ৰেবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ৰাষ্ট্ৰপতিয়ে ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে ৮ আগষ্টত নিউজিলেণ্ডত উপস্থিত হ'ব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে গৱৰ্ণৰ জেনেৰেল ছিন্দি কিৰো আৰু প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব আৰু অকলেণ্ডত প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ১০ আগষ্টত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোচে ৰামোচ হোৰ্টাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। টিমৰৰ প্ৰধানমন্ত্ৰী কে ৰালা জেনানা গুছম'য়ো ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীক সাক্ষাৎ কৰিব।

০০০০০০০০

সৰ্বোচ্চ ন্যায়ালয়ে আয়োজন কৰা বিশেষ লোক আদালতৰ আজি অন্তিম দিন। জনসাধাৰণক সৰল আৰু খৰতকীয়াকৈ ন্যায় প্ৰদানৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে ইয়াৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰিছে। লোক আদালতে খৰতকীয়াকৈ সুলভ আৰু ফলপ্ৰসু ন্যায় প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ দি আইন আৰু ন্যায়মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে, এইবাৰৰ লোক আদালতৰ জৰিয়তে এহেজাৰতকৈও অধিক গোচৰ নিষ্পত্তি কৰা হয়। এই আদালতৰ জৰিয়তে দেৱানী, ভূমি অধিগ্ৰহণ আৰু বিবাহ সংক্ৰান্তীয় গোচৰসমূহ বিশেষকৈ নিষ্পত্তি কৰা হয়। মধ্যস্থতাৰ জৰিয়তে সমাধান কৰাটো ভাৰতীয় সংস্কৃতিৰ এটা পৰম্পৰা বুলিও শ্ৰী মেঘৱালে কয়।

০০০০০০০০০

বাংলাদেশত সংৰক্ষণ বিৰোধী আন্দোলনকাৰীসকলে শেহতীয়াকৈ হোৱা হত্যাৰ বিৰোধ প্ৰদৰ্শন আৰু তেওঁলোকৰ ৯ দফীয়া দাবী সন্দৰ্ভত হেচা প্ৰয়োগৰ উদ্দেশ্যে কাইলৈৰে পৰা দেশজুৰি অসহযোগ আন্দো লনৰ ঘোষণা কৰিছে। তেওঁলোকে আজি সমগ্ৰ দেশতে ধৰ্ণা প্ৰদৰ্শন কৰিছে। ভেদভাব প্ৰতিৰোধী ছাত্ৰ আন্দোলনৰ দুগৰাকী সমন্বয়কে বিভিন্ন সামাজিক মাধ্যমৰ প্লেটফৰ্মৰ জৰিয়তে কালি কাৰ্যসূচীৰ বিষয়ে ঘোষণা কৰে। সমন্বয়ক দুগৰাকীয়ে দেশৰ জনসাধাৰণক এই অসহযোগ আন্দোলন সফল কৰি তোলাৰ বাবে আহ্বান জনাইছে। প্ৰায় দুসপ্তাহৰ পাছত কালি দেশখনৰ বিভিন্ন অঞ্চলত পুনৰ হিংসাত্মক পৰিস্থিতিৰ উদ্ভৱ হয় আৰু দুজন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ভালেমান লোক আঘাতপ্ৰাপ্ত হয়। ঢাকা, চিলেট, খুলনা, নোৱাখালি আৰু চিতাগঙত কালি শাসনাধিষ্ঠিত আৱামি লীগৰ দলীয় কৰ্মকৰ্তা, সুৰক্ষা সংস্থাৰ জোৱান আৰু আন্দোলনকাৰীসকলৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। ইপিনে যোৱা মাহত সংৰক্ষণ আন্দোলনৰ বাতৰি সংগ্ৰহৰ সময়ত দুগৰাকী সাংবাদিকৰ হত্যাৰ ঘটনাৰ ন্যায় দাবী কৰি সাংবাদিকসকলে ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দিছে। আৱামী লীগৰ পথ পৰিবহণ মন্ত্ৰী তথা সাধাৰণ সম্পাদক অ'বেইদুল কাদিৰে কালি সন্ধিয়া ঢাকাত এখন সংবাদমেলত সুৰক্ষা সংস্থাসমূহক ছাত্ৰসকলক নিৰ্যাতন আৰু আটক নকৰিবলৈ নিৰ্দেশ দিয়া বুলি জনায়।

০০০০০০০০০

পেৰিছ অলিম্পিকৰ অষ্টম দিনা আজি ভাৰতীয় এথলিটসকলে শ্বুটিং, আৰ্চাৰী, বক্সিং, নৌকা চালনা আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। শ্বুটিঙত মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হৈছিল যদিও পদক লাভত তেওঁ ব্যৰ্থ হয়। আজি তেওঁ চতুৰ্থ স্থান লাভ কৰে। ভাকৰে ইতিমধ্যে মহিলাৰ ১০ মিটাৰ পিষ্টল আৰু ১০ মিটাৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয়া শিতানত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

আৰ্চাৰীত দিনৰ ১ বাজি ৫২ মিনিটত দিপিকা কুমাৰী জাৰ্মানীৰ মিচেল ক্ৰোপেনৰ সন্মুখীন হোৱাৰ বিপৰীতে ভজন কৌৰ ইণ্ডোনেছিয়াৰ ডায়ন্দা চোইৰুনিচাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিশান্ত দেৱে  নিশা ১২ বাজি ১৮ মিনিটত

হ'বলগীয়া বক্সিঙৰ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মেক্সিকোৰ অলোন্সো ৰ্ৰডে অল্বাৰেজৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। নিশান্ত এই খেলত জয়ী হ'লে এইবাৰৰ অলিম্পিকত ভাৰতৰ বাবে আৰু এটা পদক নিশ্চিত হ'ব।

নিশা চাৰে ১২ বজাত শুটিঙৰ মহিলাৰ স্কীত শিতানৰ কোৱালিফিকেচন ৰাউণ্ডত ৰেইজা ধিলন আৰু মহেশ্বৰী চৌহান অৱতীৰ্ণ হ'ব। ইপিনে পুৰুষৰ স্কীত শিতানত অনন্ত জিৎ সিঙে কোৱাফিকেচন ৰাউণ্ডৰ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

গল্ফত শুভাংকৰ শৰ্মা আৰু গগনজিৎ ভুল্লৰ তৃতীয় ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। একেদৰে নেথৰা কুমানন আৰু বিষ্ণু চৰৱননে ক্ৰমে মহিলা আৰু পুৰুষৰ নৌকা চালনাৰ ডিগিং শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০০০

**সমাপ্ত**